**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-04-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ ধেমাজি আৰু বিশ্বনাথত দুখন নিৰ্বাচনী সভাত ভাগ লয়।

২। কংগ্ৰেছ্ নেতা প্ৰিয়ংকা গান্ধী বাদ্ৰাই আজি অসমত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

৩। নিৰ্বাচন আয়োগে আজি বিধান সভা নিৰ্বাচন অনুষ্ঠিত হ'বলগা অসম, কেৰালা আৰু পুডুচেৰীত নিয়োগ কৰা কেন্দ্ৰীয় পৰ্যবেক্ষকসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

৪। ৰাজনৈতিক দৃষ্টিভংগীৰ পৰিৱৰ্তে সংসদত এখন নতুন বিধেয়ক উত্থাপনৰ বিষয়টো প্ৰয়োজন আৰু সাম্প্ৰতিক পৰিস্থিতিৰ দ্বাৰা পৰিচালিত হ'ব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ দেলহি কেপিটেলছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

অসম বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৭টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুখন নিৰ্বাচনী সভাত ভাগ লয়।

ধেমাজিৰ গোগামুখত প্ৰথমখন নিৰ্বাচনী ভাষণ দি শ্ৰীমোদীয়ে কয় যে বিজেপিৰ বাবে দুখীয়া আৰু মধ্য বিত্ত শ্ৰেণীৰ কল্যাণ অগ্ৰাধিকাৰৰ বিষয়। তেওঁ কয় যে দলটোৱে সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য সেৱাত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে, অসমত বিগত ১০ বছৰত এন ডি এৰ শাসন কালত যথেষ্ট উন্নয়ন হৈছে। বিজেপিৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰে ৰাজ্যখনলৈ স্থায়ী শান্তি ঘূৰাই অনাত সহায় কৰিছে আৰু ভালেসংখ্যক যুৱক-যুৱতীয়ে হিংসাৰ পদ পৰিহাৰ কৰি নিৰাপদ ভৱিষ্যতৰ দিশে অগ্ৰসৰ হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। অসম সমগ্ৰ বিশ্বত চাহৰ বাবে জনাজাত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, মৰিগাঁৱৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠাৰ লগে লগে ৰাজ্যখনে ছেমিকণ্ডাক্টৰ চিপৰ বাবেও স্বীকৃতি লাভ কৰিব।

বিশ্বনাথৰ বিহালীত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰী মোদীয়ে কয় যে বিজেপিয়ে আত্মনিৰ্ভৰ অসম গঢ়াৰ পৰিকল্পনাৰে কাম কৰি আছে। তেওঁ কয় যে দলে ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যা নিয়ন্ত্ৰণৰ বাবে ১৮ হাজাৰ কোটি টকা ব্যয় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কংগ্ৰেছে থলুৱা লোকৰ ভূমিত অবৈধ অনুপ্ৰৱেশকাৰীক বসতি স্থাপনৰ অনুমতি প্ৰদান কৰা বুলি অভিযোগ তুলি শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে অসমক অবৈধ প্ৰব্ৰজন মুক্ত আৰু থলুৱা সম্প্ৰদায়সমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে কাম কৰি যাব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে পুৱাৰ ভাগত ডিব্ৰুগড়ত একাংশ চাহ শ্ৰমিকৰ সৈতে মত বিনিময় কৰে।

প্ৰধানমন্ত্ৰী মোদী ৬ এপ্ৰিলত মৰাণ, বৰপেটাৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

০০০০০০০

সমাগত অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ বাবে জ্যেষ্ঠ কংগ্ৰেছ নেতা প্ৰিয়ংকা গান্ধী বাদ্ৰাই আজি এদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হয়। শিৱসাগৰ জিলাৰ নাজিৰাৰ নেকিবুৰ চাহ বাগিছাত প্ৰিয়ংকা গান্ধীয়ে প্ৰথমখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰে। তেওঁ মুদ্ৰাস্ফীতি, দুৰ্নীতি আৰু নিবনুৱা সমস্যা আদি বিষয় উত্থাপন কৰি চৰকাৰখনক সমালোচনা কৰে। ব্যয় বৃদ্ধিৰ বাবে জনসাধাৰণৰ জীৱন ধাৰণৰ ক্ষেত্ৰত বোজা বৃদ্ধি পোৱা বুলি উল্লেখ কৰি বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ নীতিসমূহ জনসাধাৰণৰ পৰিপন্থী বুলি তেওঁ সমালোচনা কৰে।

০০০০০০০০০

নিৰ্বাচন আয়োগে আজি বিধান সভা নিৰ্বাচন অনুষ্ঠিত হ'বলগা অসম, কেৰালা আৰু পুডুচেৰীত নিয়োগ কৰা কেন্দ্ৰীয় পৰ্যবেক্ষকসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। অসম, কেৰালা আৰু পুডুচেৰীৰ মুখ্য নিৰ্বাচনী বিষয়াসহ মুঠ ২৮২গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষকে ভিডিঅ' কনফাৰেন্সিংযোগে এই বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত নিৰ্বাচন আয়োগে উৎসৱমুখৰ পৰিবেশত মুক্ত আৰু নিকাভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আয়োগে লগতে তিনিওখন ৰাজ্যতে নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে বলবৎ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ লগতে কোনো ধৰণৰ নিৰ্বাচনী হিংসাত্মক কাৰ্যকলাপৰ বিৰুদ্ধে ততালিকে ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত যথাসম্ভৱ সকলো ধৰণৰ সা-সুবিধা উপলব্ধ কৰাৰ ওপৰত কেন্দ্ৰীয় পৰ্যবেক্ষকসকলক নিৰ্দেশ দিয়া হয়।

০০০০০০০০

চৰকাৰে পশ্চিম এছিয়া সংকটৰ মাজতে দেশত সকলো ধৰণৰ শস্যৰ বীজ যথেষ্ট পৰিমাণে মজুত আছে বুলি আজি নিশ্চিত কৰিছে। নতুন দিল্লীত পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কে এখন আন্তঃমন্ত্ৰালয় বৈঠকত ভাষণ দি কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ অতিৰিক্ত সচিব ড০ মনিন্দৰ কৰ দ্বিৱেদীয়ে কয় যে সমগ্ৰ দেশতে ১৮৫ লাখ কুইণ্টলতকৈও অধিক খাৰিফ শস্যৰ বীজ মজুত আছে। চলিত খাৰিফ ঋতুৰ প্ৰাৰম্ভিক জমা সামগ্ৰী হিচাপে ৪৬ শতাংশ সাৰও মজুত আছে বুলি তেওঁ জনায়।

০০০০০০০০০

ৰাজনৈতিক দৃষ্টিভংগীৰ পৰিৱৰ্তে সংসদত এখন নতুন বিধেয়ক উত্থাপনৰ বিষয়টো প্ৰয়োজন আৰু সাম্প্ৰতিক পৰিস্থিতিৰ দ্বাৰা পৰিচালিত হ'ব লাগে বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। সংসদ ভৱনৰ বাহিৰত সংবাদ মাধ্যমৰ সৈহেত হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে অন্ধ্ৰ প্ৰদেশ পুনৰ্গঠন (সংশোধনী) বিধেয়কখন ইয়াৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি উত্থাপন কৰা হৈছিল। অমৰাৱতীক ৰাজধানীৰ মৰ্যাদা দিয়াৰ ক্ষেত্ৰত অনুমোদন জনোৱাৰ বাবে সংসদত সংশোধনী বিধেয়ক গৃহীত হোৱাটো অপৰিহাৰ্য আছিল বুলিও তেওঁ কয়। শ্ৰীৰিজিজুৱে বিৰোধী পক্ষৰ সমালোচনা কৰি কয় যে তেওঁলোকে জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ বাবে আৰু প্ৰকৃত তথ্যৰ পৰা তেওঁলোকক আঁতৰোৱাৰ বাবে প্ৰয়াস কৰি আছে। প্ৰচলিত নিয়মত ওপৰত ভিত্তি কৰিয়েই চৰকাৰে কাম কৰে আৰু প্ৰয়োজন অনুসৰিহে আইন প্ৰণয়ন কৰে বুলিও মন্ত্ৰীগৰাকীয়ে নিশ্চিত কৰে।

০০০০০০০

ৰাজ্যসভাই আজি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী বিধেয়ক ২০২৬ ধ্বনিভোটত গৃহীত কৰে। গৃহ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে বিগত সপ্তাহত এই বিধেয়কখন উত্থাপন কৰিছিল। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ গ্ৰুপ এ পৰ্যায়ৰ সাধাৰণ কৰ্তব্যৰ বিষয়াসকল আৰু আন বিষয়াসকলৰ বাবে সা-সুবিধা আৰু নিযুক্তিৰ ক্ষেত্ৰত  থকা সাধাৰণ নিয়ম প্ৰস্তুত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০০০০

লোকসভাত জনবিশ্বাস সংশোধনী বিধেয়ক, ২০২৬ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হয়। এই বিধেয়কত কিছুমান অধিনিয়ম সংশোধন কৰি অপৰাধক নিৰ্দিষ্ট শ্ৰেণীৰ পৰা অপসাৰণ আৰু যুক্তিসংগত কৰাৰ প্ৰয়াস কৰা হৈছে। জীৱন ধাৰণ আৰু ব্যৱসায় সুচল কৰাৰ বাবেও ইয়াত প্ৰয়াস কৰা হৈছে। সাধাৰণ অপৰাধক এই বিধেয়কত অপৰাধ শ্ৰেণীৰ পৰা বাহিৰ কৰা তথা জৰিমনা আৰু শাস্তি বিহাৰ অনুপাত সংশোধন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই বিধেয়কত ২৩টা মন্ত্ৰালয়ৰ ৭৯টা কেন্দ্ৰীয় অধিনিয়ম সংশোধনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

আলোচনাত অংশ লৈ কংগ্ৰেছৰ চমালা কিৰণ কুমাৰ ৰেড্ডীয়ে কয় যে এই বিধেয়কে ভালেমান আইন আৰু অপৰাধক বাহিৰ কৰাৰ দাবী কৰে যদিও বাস্তৱত ইয়াৰ ফলত ভ্ৰষ্টাচাৰ বৃদ্ধি হ'ব। তেওঁ কয় যে এই বিধেয়কে জনবিশ্বাসক সুদৃঢ় কৰা আৰু গভীৰ বিষয়সমূহক সমাধান কৰাত বিফল হৈছে।

বিজেপিৰ তেজস্বী সূৰ্যই কয় যে এই বিধেয়কে ব্যৱসায় কৰাটো সহজ আৰু জীৱন যাপন সৰল কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে স্বাধীন ভাৰতৰ ইতিহাসত অপৰাধমুক্ত কৰাৰ বাবে ব্যাপক পৰিমাণে অভিযান চলাইছে। তেওঁ কয় যে এই বিধেয়কৰ দ্বাৰা চৰকাৰে এহেজাৰৰো অধিক লঘু অপৰাধক অপৰাধ শ্ৰেণীৰ পৰা বাহিৰ কৰিছে। তেওঁ লগতে কয় যে এই বিধেয়কে বিকশিত ভাৰতৰ ভেটি আৰু অধিক শক্তিশালী কৰিছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

মালদ্বীপৰ মালিৰ নেশ্যনেল ষ্টেডিয়ামত আজি ২০ বছৰ অনুৰ্দ্ধৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰত ভূটানৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বজাত আৰম্ভ হ'ব। গ্ৰুপ বিৰ শীৰ্ষত থকা ভাৰতে প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে আন এখন খেলত বাংলাদেশৰ বিৰুদ্ধে ড্ৰ খেলে। ইফালে, গ্ৰুপ এত থকা ভূটানে মালদ্বীপৰ বিৰুদ্ধে ড্ৰ খেলাৰ বিপৰীতে শ্ৰীলংকাৰ বিপক্ষে জয়লাভ কৰে।

০০০০০০০০০

মংগোলিয়াৰ উলানবাটৰত অনুষ্ঠিত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ বক্সাৰ শচীন ছিৱাচ আৰু বিশ্বনাথ সুৰেশ আজি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ৬০ কিলোগ্ৰাম ওজন শাখাত ছিৱাচে কোৱাৰ্টাৰ ফাইনেলত চেং-ৰেই লীৰ মুখামুখি হ'ব। ইফালে সুৰেশে পৰৱৰ্ত্তী খেলত বৰ্তমানৰ বিশ্ব চেম্পিয়ন সংঝাৰ টাস্কেনবেৰ মুখামুখি হ'ব।

০০০০০০০

সমাপ্ত